**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি গুৱাহাটীৰ ৰুক্মিণীগাঁৱত ভগদত্ত উৰণ সেতু উদ্বোধন।

২। ৰাজ্যৰ বিভিন্ন প্ৰান্তত মেলেৰীয়া আৰু জাপানীজ এনকেফেলাইটিছ্‌ সদৃশ ৰোগত এতিয়ালৈকে ৩৫ জনৰ মৃত্যু।

৩। বিবিচিৰ জ্যেষ্ঠ সাংবাদিক শচীন গগৈৰ প’ৰ্টেল সাংবাদিকতাৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিয়ম প্ৰণয়নৰ পোষকতা।

৪। প্ৰসিদ্ধ বুৰঞ্জীবিদ, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ উদয়াদিত্য ভৰালীৰ দেহাৱসান। **আৰু**

৫। এজবেষ্টন টেষ্টত ভাৰতক জয়ৰ বাবে আজি পঞ্চম দিনা ইংলেণ্ডৰ দ্বিতীয় ইংনিছৰ **আৰু ৭টা** উইকেটৰ প্ৰয়োজন।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰিব। ১১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চাৰিটা লেনযুক্ত ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। ২০২৪ চনৰ অক্টোবৰত উৰণ সেতুখনৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে ইয়াৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী পৌৰসভাৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। তেওঁ কয় যে ৰুক্মিনীগাঁৱৰ ডাউন টাউনৰ আৰু ছুপাৰ মাৰ্কেটৰ উৰণ সেতু দুখন কামৰূপৰ ৰজা ভগদত্ত নামেৰে নামকৰণ কৰা হ’ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বিয়লি তিনি বজাত গুৱাহাটীৰ শ্ৰী মন্ত শংকৰদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত বড়োলেণ্ড স্পীকছ্‌ ফ্ৰম ভীজন টু এক্সন শীৰ্ষক বিশেষ উদ্যম মুকলি কৰিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বাহকজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। ৰাজ্যত জাপানীজ এনকেফেলাইটিছ ৰোগত বৰ্তমানলৈকে ৯ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১৬৭ জন লোক আক্ৰান্ত হৈছে। একেদৰে জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ২৬ জন লোক নিহত আৰু ৪৪৩ জন লোক আক্ৰান্ত হোৱাৰ বাতৰি পোৱা

গৈছে। ৰাজ্যখনত ডেংগীত ১৪৭ জন আৰু মেলেৰিয়াত এহেজাৰ ৫৭৯ জন লোক আক্ৰান্ত হৈ চিকিৎসাধিন হৈ আছে। স্বাস্থ্য বিভাগৰ সূত্ৰৰ পৰা জানিব পৰা মতে জাপানীজ এনকেফেলাইটিছত এই পৰ্যন্ত বজালিত ৪, বৰপেটাত ১৪, ধেমাজিত ৫, ধুবুৰীত ৪, ডিব্ৰুগড়ত ২, গোৱালপাৰাত ৫, গোলাঘাটত ৪, হোজাইত ২, যোৰহাটত ১০, কামৰূপ জিলাত ১৬ জন লোক আক্ৰান্ত হৈছে।

কামৰূপ জিলাত এই ৰোগত আক্ৰান্ত হৈ চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু চাৰিজন লোক চিকিৎসাধীন হৈ আছে। কামৰূপ জিলা মেলেৰিয়া বিভাগে এই ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন স্থানত সজাগতা শিবিৰৰ আয়োজন কৰিছে। বিভাগে লগতে প্ৰায় ২০ হাজাৰ ঔষধযুক্ত আঁঠুৰা বিতৰণ কৰিছে আৰু জিলাখনৰ অধীনৰ বকো, ছয়গাঁও, গৰৈমাৰী, ৰঙিয়া, বাইহাটা চাৰিআলিত ফগিং কৰাৰ ব্যৱস্থা কৰিছে।

জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মাজুলীত এটি শিশুৰ মৃত্যু হৈছে। জিলাখনত এইপৰ্যন্ত ছজন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইপিনে মাজুলীৰ ১১ খন গাঁৱত জাপানীজ এনকেফেলাইটিছৰ লগতে ডেংগি আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাত জিলা স্বাস্থ্য বিভাগে ১২ হাজাৰৰো অধিক লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰিছে।

যোৰহাট জিলাত জাপানীজ এনকেফেলাইটিছত এজন ১৬ বছৰীয়া কিশোৰৰ মৃত্যু হৈছে। বৰ্তমানলৈকে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ দুজন লোকৰ মৃত্যু হোৱা বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। বৰ্তমান এটি দুবছৰীয়া শিশুসহ কেইবাজনো সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে।

শিৱসাগৰ জিলাত যোৱা এপ্ৰিলৰ পৰা বৰ্তমানলৈকে শিশুসহ ১০জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত সাতজন ৰোগী আৰোগ্য হোৱাৰ পাছত ঘৰলৈ যাবলৈ দিয়া হৈছে। বাকী তিনিজনৰ ভিতৰত এটি শিশুসহ দুজন লোক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰু এজন শিৱসাগৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে জাপানীজ এনকেফেলাইটিছ ৰোগৰ সংক্ৰমন প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগক কঠোৰ নিৰ্দেশ দিছে। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে কালি দিছপুৰত এখন পৰ্যালোচনা সভাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভব সম্পৰ্কে আলোচনা কৰে। বৈঠকত শ্ৰী সিংহলে অক্টোবৰৰ পৰা ৰাজ্যৰ স্পৰ্শকাতৰ জিলাসমূহত প্ৰাপ্তবয়স্ক লোকৰ বাবে জাপানীজ এনকেফেলাইটিছৰ টিকা প্ৰদানৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

সংবাদ মাধ্যমৰ বাবে সাম্প্ৰতিক সময়ত প্ৰকৃত নিৰপেক্ষতা বৰ্তাই ৰখাটো প্ৰত্যাহ্বান হৈ পৰিছে। দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈয়ে কালি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা অন্তৰংগ বাৰ্তালাপত এই কথা প্ৰকাশ কৰে। সম্প্ৰতি অসমত ব্যাপক হাৰত গঢ় লৈ উঠা পৰ্টেল চেনেলসমূহৰ সংবাদ পৰিৱেশন সন্দৰ্ভত মত প্ৰকাশ কৰি সাংবাদিকগৰাকীয়ে কয়, যে তেওঁলোকে মনোৰঞ্জন আৰু সংবাদ পৰিৱেশনৰ মাজৰ পাৰ্থক্য নোহোৱা কৰিব ধৰিছে। পৰ্টেল সমূহৰ ক্ষেত্ৰত তেওঁ কেতবোৰ নীতি-নিয়ম প্ৰৱৰ্তনৰ পোষকতা কৰে।

*(বাইট ঃ শচীন গগৈ)*

অনুষ্ঠানত শ্ৰী গগৈয়ে তেওঁৰ ব্যক্তিগত জীৱন আৰু সাম্প্ৰতিক সময়ৰ সাংবাদিকতাৰ প্ৰেক্ষাপট সম্পৰ্কেও মত প্ৰকাশ কৰে।

০০০০০০

প্ৰসিদ্ধ বুৰঞ্জীবিদ, পূৰ্বৰ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা স্তম্ভ লেখক উদয়াদিত্য ভৰালীৰ আজি পুৱতি নিশা প্ৰায় ৩ বজাত নিজ বাসগৃহত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি থকাৰ অন্তত শেষ নিশ্বাস ত্যাগ কৰা উদয়াদিত্য ভৰালীয়ে শৈক্ষিক ক্ষেত্ৰৰ লগতে নানান সামাজিক কামত সক্ৰিয় ভূমিকা পালন কৰিছিল। তেওঁ ১৯৬৮ চনৰ পৰা ২০০৩ চনলৈ কটন কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰিছিল। অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰা ভৰালীয়ে কিছুদিন পূৰ্বে পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটাও লাভ কৰিছিল। তেওঁ HUNDRED YEARS OF COTTON COLLEGE শীৰ্ষক গ্ৰন্থৰ লগতে কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰিছিল। ২০০৪ চনত অসম সাহিত্য সভাৰ বুৰঞ্জী অধিৱেশন তেওঁ সঞ্চালনা কৰিছিল। ১৯৪৭ চনত মৰাণত জন্মগ্ৰহণ কৰা এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ। শিক্ষাবিদগৰাকীৰ মৃত্যুত ৰাজ্যত গভীৰ শোকৰ ছাঁ পৰিছে।

০০০০০০

অহা বছৰ জানুৱাৰীৰ পৰা মহানগৰীৰ জি এছ ৰোডৰ ২৩ আৰু ৩৬ নম্বৰ পথত কেৱল বিদ্যুৎচালিত তথা চি এন জি বাছহে চলাচল কৰিব পাৰিব। এই সন্দৰ্ভত কালি আঞ্চলিক পৰিবহণ প্ৰাধিকাৰীৰ  সচিব আৰু সহকাৰী পৰিবহণ আয়ুক্ত তামচিন আফতাবৰ  তত্বাৱধানত কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। ইয়াৰ ফলত জি এছ ৰোডৰ ২৩ আৰু ৩৬  নম্বৰ পথ দুটা সম্পূৰ্ণ গ্ৰীন ৰোড অৰ্থাৎ সেউজ পথ হিচাপে পৰিগণিত হ'ব। সচিব তামচিন আফতাবে এই দুটা পথত চলা ডিজেল চালিত বাছসমূহ জানুৱাৰী মাহৰ আগতে মহানগৰীৰ আন পথলৈ স্থানান্তৰিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাহনৰ গৰাকীৰ প্ৰতি আহ্বান জনায়। অৱশ্যে এই দুটা পথত যদি কোনো বাহন চলাব বিচাৰে তেন্তে সেইসমূহ বাহনত চি এন জি সংযুক্ত কৰিব লাগিব। যান-জঁট হ্ৰাস কৰাৰ লগতে প্ৰদূষণমুক্ত পথ হিচাপে সকলো শ্ৰেণীৰ লোকৰ যাতায়াত সুৰক্ষিত আৰু পৰিৱেশ অনুকুল কৰাৰ উদ্দেশ্যে এনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিছে।

০০০০০০

সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীক ৰাজ্য চৰকাৰে হেৰিটেজ ব্লক এণ্ড বেল্টৰ অধীনলৈ অনাৰ সিদ্ধান্ত কাৰ্যকৰী কৰা জিলাখনত আনন্দৰ জোৱাৰ উঠিছে। চৰকাৰে এটা নিৰ্দেশনাযোগে এতিয়াৰে পৰা মাজুলীৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্ধাৰণ কৰিছে। এই অনুসৰি মাজুলীত যিকোনো লোকে ভূমি ক্ৰয়-বিক্ৰয় কৰিব নোৱাৰিব। জিলাখনৰ স্থানীয় বাসিন্দাইহে চৰ্তসাপেক্ষে এই সুবিধা লাভ কৰিব। বিশেষকৈ তিনিটা প্ৰজন্ম ধৰি মাজুলীত স্থায়ীভাৱে বসবাস কৰি থকা লোকেহে ভূমি ক্ৰয়-বিক্ৰয় কৰিব পাৰিব বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে। বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপটো হেৰিটেজ ব্লক এণ্ড বেল্টৰ আওটালৈ অনাত বিভিন্ন দল-সংগঠনৰ লগতে মাজুলীৰ বহুকেইগৰাকী সত্ৰাধিকাৰে আদৰণি জনাইছে। আউনীআটীৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে কয়, যে মাজুলী সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ, সমন্বয়ৰ পীঠ ভূমি আৰু বহু জনজাতীয় লোকৰ আৱেষ্টনী ক্ষেত্ৰ। চৰকাৰৰ এই সিদ্ধান্তই মাজুলীক সাংস্কৃতিক, সামাজিক আৰু ধৰ্মীয়ভাৱে সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। ইপিনে কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে এই সিদ্ধান্তক আদৰণি জনোৱাৰ লগতে মাজুলীৰ চৰ-চাপৰিসমূহো সুৰক্ষিত কৰাৰ ক্ষেত্ৰত চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

এজবেষ্টন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত দ্বিতীয়খন টেষ্টৰ কালি চতুৰ্থ দিনা আলহী দল ভাৰতে ৬টা উইকেটৰ বিনিময়ত ৪২৭ ৰানৰ দ্বিতীয় ইনিংছ ঘোষণা কৰাৰ পাছত ইংলেণ্ডে ৭২ ৰানত তিনিটা উইকেট হেৰুৱাই শলঠেকত পৰে। ইংলেণ্ডে ৬০৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১১ ৰানতে মহম্মদ ছিৰাজৰ বলত জ'ক ক্ৰাউলিৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত আকাশ দীপে বেন ডাকেট আৰু জ' ৰুটৰ উইকেট দখল কৰি ঘৰুৱা দলটোক শলঠেকত পেলায়। ইংলেণ্ডে দিনান্তত তিনিটা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৭২ ৰান সংগ্ৰহ কৰে। খেল সামৰাৰ পৰত অলি প'পে ২৪ আৰু হেৰি ব্ৰুকে ১৫ ৰান কৰি খেলি আছিল। ভাৰতক জয়ৰ বাবে আজি পঞ্চম দিনা ইংলেণ্ডৰ দ্বিতীয় ইংনিছত আৰু সাতটা উইকেটৰ প্ৰয়োজন।

ইয়াৰ পূৰ্বে ভাৰতে সুভমন গীলৰ আকৰ্ষণীয় ১৬১ আৰু কে এল ৰাহুল, ঋষভ পণ্ট আৰু ৰবীন্দ্ৰ জাদেজাৰ অৰ্ধ শতকৰ সহায়ত ৬ টা উইকেট হেৰুৱাই ৪২৭ ৰান কৰা অৱস্থাত দ্বিতীয় ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। ইয়াৰ লগে লগে সুভমন গীল  টেষ্ট ক্ৰিকেটৰ ১৪৮ বছৰীয়া ইতিহাসত প্ৰথম ইনিংছত দ্বি শতক আৰু  দ্বিতীয় ইনিংছত শতক অৰ্জন কৰা বিশ্বৰ নৱমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হয়। সুভমনে এনে কৃতিত্ব অৰ্জন কৰা ভাৰতৰ সামগ্ৰিকভাৱে দ্বিতীয় আৰু প্ৰথম গৰাকী অধিনায়ক হিচাপেও পৰিচিতি লাভ কৰে। উল্লেখযোগ্য যে ইংলেণ্ডে ভাৰতৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত প্ৰথম ইনিংছত ৪০৭ ৰান সংগ্ৰহ কৰিছিল।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশতি বাতৰি কাকতসমূহে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ, উদ্ধৱ থাকৰে আৰু ৰাজ থাকৰেৰ পুনৰ মিলন,  নেটগ্ৰীড ব্যৱহাৰত দেশৰ ৫ খন শীৰ্ষ ৰাজ্যত অসমৰ স্থান লাভ, ভগদত্তৰ নামেৰে গুৱাহাটীৰ দুখন ফ্লাই অভাৰৰ নামকৰণ, মাজুলীত ভূমি ক্ৰয়-বিক্ৰয়ত নিষেধাজ্ঞা আৰোপ আদি বাতৰি ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে স্বাস্থ্য বিভাগে সতৰ্কতামূলক ব্যৱস্থা  লোৱা বুলি দাবী কৰাৰ সময়তে ৰাজ্যজুৰি বাহকজনিত ৰোগে ভয়াবহ ৰূপ লোৱাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

নেচনেল ইণ্টেলিজেনছ গ্ৰীড-নেটগ্ৰীড ব্যৱহাৰত অসমে দেশৰ পাঁচখন শীৰ্ষ ৰাজ্যৰ ভিতৰত স্থান লাভ কৰাৰ বাতৰিক নিয়মীয়া বাৰ্তা আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

প্ৰায় দুটা দশকৰ পাছত মহাৰাষ্ট্ৰৰ প্ৰভাৱশালী নেতা উদ্ধৱ থাকৰে আৰু ৰাজ থাকৰেৰ পুনৰ মিলনৰ বাতৰিক দৈনিক অসম, আমাৰ অসম কাকতে আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে অহা পাঁচ বছৰত বি টি আৰক বিকাশ-প্ৰগতি-সমৃদ্ধিৰ দিশত আগুৱাই লৈ যোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বাক্সা ভ্ৰমণৰ সময়ত কৰা মন্তব্যক মুখ্য বাতৰিত স্থান দিছে।

অসমীয়া খবৰ কাকতে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে মন্ত্ৰী হোৱাৰ পাছত জয়ন্ত মল্লবৰুৱাই পত্নীৰ নামত অগাধ সম্পত্তি কৰিছে বুলি কালি সংবাদমেলত কৰা মন্তব্যৰ বাতৰি সবিস্তাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অগ্ৰদূত কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

দি আছাম ট্ৰিবিউন কাকতে অসমত জনগাঁথনিৰ পৰিৱৰ্তন অকল ৰাজ্যৰ বাবে নহয় বৰং সমগ্ৰ দেশৰ বাবে উদ্বেগৰ বিষয় আৰু মৌলবাদী শক্তিসমূহে এই প্ৰেক্ষাপতৰ সুযোগ গ্ৰহণ কৰিব পাৰে বুলি আছুতীয়া প্ৰতিবেদন প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত এভুমুকি—

আহক আমি এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাও—-

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত